# আগকথা

লোকসাহিত্য লোকসমাজৰ নিভাজ মনৰ মুকলি প্ৰকাশ। ই জনসাধাৰণৰ প্ৰাত্যহিক জীৱনৰ দাপোণ স্বৰূপ। গ্ৰাম্য সমাজৰ জীৱনৰ গাঁথনিত গীত- মাত, সাধুকথা, যোজনা-পটন্তৰ, মন্ত্ৰ আদিৰ প্ৰাধান্য পৰিলক্ষিত হয়। সাম্প্ৰতিক কালত সভ্যতাৰ অগ্ৰগতিৰ লগে লগে লোকসাহিত্যৰ সমলসমূহ অনাদৃত হ'বলৈ ধৰিছে। লোকজীৱনৰ সমল ব্যক্তিৰ দেহাৱসানৰ লগে লগে এই সম্পদসমূহো হেৰাই যাবলৈ ধৰিছে অথবা পাহৰণিৰ গৰ্ভত বিলীন হোৱাৰ উপক্ৰম ঘটিছে। আধুনিক জীৱন ধাৰণ পদ্ধতিয়ে লোকসাহিত্যৰ সমল সমূহলৈও পৰিবৰ্ত্তনৰ জোৱাৰ অনা পৰিলক্ষিত হৈছে। সঠিক পদ্ধতিৰ চৰ্চাৰ অভাৱতো লোকসাহিত্যই বিস্মৃতিৰ গৰ্ভলৈ যাত্ৰা কৰিছে।

সাম্প্ৰতিক কালত বিদ্যৎমণ্ডলীয়ে লোক সাহিত্যৰ সম্পদসমূহৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছে। ইয়াৰ সংৰক্ষণ আৰু স্থায়িত্বৰ বাবে অসমীয়া লোকসাহিত্যৰ পথাৰৰ সেউজী ৰং বোলোৱা মায়ঙৰ লোকসাহিত্যৰ সমীক্ষামূলক আৰু বিশ্লেষণাত্মক অধ্যয়ন চলাবলৈ মানস কৰি এই প্ৰচেষ্টা কৰা হৈছে। মোৰ গৱেষণা পত্ৰৰ তত্বাৱধায়ক ড° প্ৰফুল্ল কুমাৰ নাথ দেৱৰ তত্বাৱধানত গৱেষণা কৰ্মত প্ৰবৃত্ত হওঁ আৰু 'মায়ঙৰ লোকসাহিত্য ঃ মন্ত্ৰ সাহিত্যৰ বিশেষ অধ্যয়ন' নামেৰে নিৰ্বাচিত বিষয়টোলৈ প্ৰস্তাৱিত অধ্যয়নৰ কামত অগ্ৰসৰ হওঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংশ্লিষ্ট বিভাগীয় কৰ্ত্তৃপক্ষৰ পৰা অনুমোদন পোৱাৰ পিছত প্ৰস্তাৱিত অধ্যয়নৰ কামত আত্মনিয়োগ কৰা হয়। গ্ৰন্থখনে মায়ঙৰ লোক সাহিত্যৰ সামগ্ৰিক প্ৰতিচ্ছৱি দাঙি ধৰাৰ লগতে ভৱিষ্যতৰ কাৰণে সংগ্ৰহ আৰু সংৰক্ষণৰ চানেকি হৈ ৰ'ব বুলি আশা কৰা হৈছে। মায়ং অঞ্চলৰ বিভিন্ন গাওঁ লৈ গৈ বিশিষ্ট ব্যক্তিসকলক লগ ধৰি প্ৰয়োজনীয় তথ্যসমূহ সংগ্ৰহ কৰা হৈছে। একেধৰণৰ তথ্য সংগ্ৰহত এজন ব্যক্তিৰ নামহে অন্তৰ্ভূক্ত কৰা হৈছে। কিছুমান তথ্য অঞ্চলটোৰ দাঁতি কাষৰীয়া ঠাইৰপৰা সংগ্ৰহ কৰা হৈছে। বিশিষ্ট

লোকসাহিত্যৰ তাত্বিকসকলে বহু আগতেই মায়ঙৰপৰা সংগ্ৰহ কৰি লৈ যোৱা (বৰ্ত্তমান মায়ঙত পাবলৈ নোহোৱা) তথ্যও সংগ্ৰহ কৰা হৈছে। ক্ষেত্ৰ অধ্যয়ন আৰু অধ্যয়নৰ জৰিয়তে প্ৰস্তাৱিত অধ্যয়নৰ কাম সমাপন কৰিব খোজা হৈছে, যদিও সকলো স্তৰতে নিজস্ব চিন্তা-চৰ্চ্চাৰ ওপৰতহে অধিক মনোনিৱেশ কৰা হৈছে। দুই এজন নিবন্ধকাৰে দুই এখন পুস্তিকাত ছেগা-চোৰোকাকৈ লোক সাহিত্যত ভুমুকি মাৰিছে যদিও এইবোৰ আংশিক হে। সেয়ে অধ্যয়নপুষ্ট মননশীলতাৰে মায়ং অঞ্চলৰ বিভিন্ন অঞ্চলত সিচঁৰতি হৈ থকা লোকসাহিত্যৰ সমলসমূহ সংগ্ৰহ কৰি একেখন গ্ৰন্থত থুপাই ৰাখিব বিচাৰি প্ৰস্তাৱিত অধ্যয়নৰ কামত অগ্ৰসৰ হোৱা হৈছে। গ্ৰন্থখনে মায়ঙৰ লোক সাহিত্যৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

গৱেষণা কৰ্মত অগ্ৰসৰ হোৱাৰ ক্ষেত্ৰত প্ৰথমতে তত্বাৱধায়ক ড° প্ৰফুল্ল কুমাৰ নাথ ছাৰলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো। বিষয়বস্তুৰ উপস্থাপনত শ্ৰদ্ধেয় মহাশয়ে অনেক ক্ষেত্ৰত বহুমূলীয়া উপদেশ প্ৰদান কৰি যি পথ প্ৰশস্ত কৰি দিলে তাক মই কোনোকালেই পাহৰিব নোৱাৰিম।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষাগুৰুসকললৈ আৰু লোক সংস্কৃতিৰ গৱেষক নবীনচন্দ্ৰ শৰ্মাদেৱলৈ শ্ৰদ্ধা জ্ঞাপন কৰিলো।

এই অধ্যয়নৰ বিভিন্ন তথ্যপাতি সংগ্ৰহৰ ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ, অসম সাহিত্য সভাৰ ফণী তালুকদাৰ গ্ৰন্থাগাৰ, মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ কৰ্মীবৃন্দৰ সহযোগিতাৰ বাবে তেখেত সকললৈও শলাগ জনালোঁ।

বিভিন্ন গ্ৰন্থ আদি প্ৰদান কৰি আৰু আৱশ্যকীয় দিহা পৰামৰ্শৰে উৎসাহিত কৰা পিতৃদেৱ প্ৰাক্তন অধ্যাপক শ্ৰীগুৰু প্ৰসাদ তামুলী দেৱ আৰু মাতৃ স্বৰ্গীয় কুলদা তামুলীলৈও এই সুযোগতে সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সকলো প্ৰকাৰে সহায় সহযোগিতা কৰা স্বামী শ্ৰীপল্লৱ কুমাৰ বৰুৱালৈও আন্তৰিক শ্ৰদ্ধা জনাইছো।

পৰিশেষত মেপ আদি অংকনৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা পুত্ৰ শ্ৰীমান দেৱৰ্ষি বৰুৱালৈও ধন্যবাদ জনালোঁ।

সদৌ শেষত ডি.টি.পি.ৰ কাম-কাজ কৰা কাজিৰঙা প্ৰিণ্টিং হাউচৰ মোৰ অনুজ শ্ৰীমান সঞ্জীৱজ্যোতি হালৈ আৰু সহকৰ্মীসকললৈ মোৰ ধন্যবাদ জনালোঁ।

মীনাক্ষী তামুলী

**(মীনাক্ষী তামুলী)**
সহকাৰী অধ্যাপিকা, মায়ং
আঞ্চলিক মহাবিদ্যালয়,
ৰজামায়ং, মৰিগাঁও, অসম।

তাৰিখঃ ২৮/৫/২০১৪